**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১।	ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কাৰ্যসূচী।

২।	ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধৰ বাবে অ' এন জি চিৰ দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ। পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই বুলি নিগমৰ কাৰ্যবাহী সঞ্চালকৰ প্ৰকাশ।

৩।	বতৰ বিজ্ঞান বিভাগৰ আগজাননীৰ পৰিপ্ৰেক্ষিতত অসম আৰু মেঘালয়ত আজি আৰু কাইলৈ ৰেড এলাৰ্ট জাৰি।

৪।	বি টি চি নিৰ্বাচনৰ বাবে কাইলৈ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ।
**আৰু**

৫।	এফ আই এইচ হকী প্ৰ' লীগৰ এখন মেচত ভাৰতীয় মহিলা দলটো আৰ্জেণ্টিনাৰ হাতত পৰাস্ত।

০০০০০০

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি ৪০০ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে যোৱা ৫ জুন পৰ্যন্ত এক লাখ ১৯ হাজাৰ ৯৬৯ গৰাকী চিকিৎসা আৰু স্বাস্থ্য বিষয়াক নিযুক্তি প্ৰদান কৰে।

০০০০০০

অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থাকে ধৰি মৰাণ জনজাতীয় কেইবাটাও সংগঠনে কালি ডিব্ৰুগড়ৰ অসম সচিবালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি জনগোষ্ঠীটোৰ বহুকেইটা দাবী উপস্থাপন কৰে। সংগঠনকেইটাই মৰাণ জনজাতিক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন, অৰুণাচল প্ৰদেশত বাস কৰা মৰাণসকলৰ সমস্যাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰে। তেওঁলোকে লগতে তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি গাঁৱৰ পানীত পৰি মৃত্যু হোৱা সুমন মৰাণ নামৰ যুৱকগৰাকীৰ পৰিয়াললৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়। ড০ শৰ্মাই এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই দৰিদ্ৰ পৰিয়ালটোলৈ ৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে কালি এখন সংবাদমেলত মৰাণ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ জনজাতীয় ভোটাৰ আৰু মটক স্বায়ত্তশাসিত

পৰিষদৰ নিৰ্বাচনত কেৱল মটক জনজাতীয় ভোটাৰেহে ভোটদান কৰিব পাৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে প্ৰতিটো সম্প্ৰদায়ৰ মাজত বুজাবুজি আৰু সমন্বয় অক্ষুণ্ণ ৰখাৰ বাবে এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

**বাইট (চি এম)**

০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম, অ' এন জি চিয়ে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে দেশ-বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ অনুযায়ী কাম কৰি আছে যদিও পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণ হোৱা নাই। প্ৰতিষ্ঠানটোৱে গেছ নিৰ্গমন হৈ থকা ১৪৭ নম্বৰ ৰিগৰ খননৰ দায়িত্বত থকা এছ কে পেট্ৰ' নামৰ ব্যক্তিগত খণ্ডৰ কোম্পানীটোৰ বিৰুদ্ধে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে। কালি অ' এন জি চিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক ভাস্কৰ চৌধুৰীয়ে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে তদন্তৰ প্ৰতিবেদন অহাৰ পাছতে নিগমে উচিত পদক্ষেপ গ্ৰহণ কৰিব। গেছ নিৰ্গমন ৰোধৰ বাবে অগ্নি নিৰ্বাপন দলে অহৰহ কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। এই ঘটনাৰ পৰা শিক্ষা লৈ অ' এন জি চিয়ে ভৱিষ্যতে এনেধৰণৰ ঘটনা ৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ------- **বাইট**

ইপিনে, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কালি তৈল ক্ষেত্ৰখনত হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে অ' এন জি চিয়ে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অ' এন জি চিৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতাসম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ কথা কালি এখন সংবাদমেলত ঘোষণা কৰে। এই গেছ নিৰ্গমন ৰোধৰ বাবে আমেৰিকাৰ এগৰাকী বিশেষজ্ঞক আহ্বান জনোৱা হৈছে আৰু শীঘ্ৰেই এই সমস্যাৰ সমাধান হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নেতৃত্বত দেশত প্ৰথমবাৰৰ বাবে সম্ভাব্য দুৰ্যোগৰ প্ৰস্তুতি, সঁহাৰি, সাহায্য আৰু পুনৰুদ্ধাৰ প্ৰচেষ্টাত অংশীদাৰ হিচাপে জনসাধাৰণক প্ৰাধিকৰণৰ সৈতে সহযোগ কৰিবলৈ এটা অনলাইন সঁহাৰি প'ৰ্টেল মুকলি কৰা হৈছে। ৰাজ্যত ক্ৰমাৎ বৃদ্ধি পোৱা প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি এনে সময়ত জীৱনৰ সুৰক্ষা তথা ক্ষয়-ক্ষতি ৰোধৰ উপৰি ক্ষতিগ্ৰস্তসকলক সহায়ৰ ক্ষেত্ৰত সহযোগিতামূলক প্ৰচেষ্টা হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জৰুৰীকালীন কাৰ্যত অৰিহণা যোগাবলৈ আগ্ৰহীসকলক ONLINESDMA.ASSAM.GOV.IN/NGO/PUBLIC লিংকত গৈ পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ বাবে বেচৰকাৰী সংস্থা, স্বেচ্ছাসেৱক আৰু জনহিতৈষী সংস্থা বা লোকে পৃথকে পৃথকে পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে কালি বি টি চি নিৰ্বাচনৰ বাবে ভোটাৰ তালিকা প্ৰকাশৰ জাননী জাৰি কৰে। এই অনুসৰি কাইলৈ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হ'ব আৰু ২২ জুলাইত খচৰা তালিকা প্ৰকাশ পাব। ৫ আগষ্টৰ ভিতৰত দাবী আৰু আপত্তি দাখিল কৰিব পৰা হ'ব আৰু ১১ আগষ্টৰ

ভিতৰত এইবোৰ নিষ্পত্তি কৰা হ'ব। ১৩ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা আৰু ১৮ আগষ্টত ভোটগ্ৰহণ কেন্দ্ৰৰ তালিকা প্ৰকাশ পাব। উল্লেখযোগ্য যে যোৱা ৫ জুনত বিটিচি পৰিষদীয় সমষ্টিৰ পুনৰ গঠনৰ বাবে খচৰা পুনৰ নিৰ্ধাৰণৰ আদেশ জাৰি কৰা হৈছে। বিগত সময়ছোৱাত বি টি আৰত নতুনকৈ অন্তৰ্ভুক্ত ৮১ খন গাঁও কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংশ্লিষ্ট পৰিষদীয় সমষ্টিত অন্তৰ্ভুক্তিৰ বাবে এই আদেশৰ জৰিয়তে ৰাজহুৱা শুনানি ল'বলৈ কোৱা হৈছে। সংশ্লিষ্ট জিলা আয়ুক্তসকলক এই শুনানি গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰিবলৈ কোৱা হৈছে। বড়োলেণ্ড উন্নয়ন বিভাগৰ এটা সূত্ৰই প্ৰকাশ কৰা অনুসৰি সমষ্টি পুনৰ নিৰ্ধাৰণৰ চূড়ান্ত আদেশ জাৰিৰ বাবে আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্তি বিশ্ব শৰ্মাই অহা ছেপ্তেম্বৰত বি টি চি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ইতিপূৰ্বে ঘোষণা কৰিছে।

oooooo

জলসিঞ্চন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰী সিংহলে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ বাবে চৰকাৰে তৎপৰতাৰে কাম কৰি আছে বুলি উল্লেখ কৰে। তেওঁ এই আঁচনিখন সঠিকভাৱে কাৰ্যকৰী হোৱাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

বাইট

বৈঠকত এটি কলি দুটি পাত, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মিছন বসুন্ধৰা আৰু অন্যান্য আঁচনি সন্দৰ্ভতো আলোচনা কৰা হয়। সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, দিগন্ত ঘাটোৱাল, প্ৰমোদ বৰঠাকুৰ, আয়ুক্ত মনীন্দ্ৰ নাথ ঙাটেৰ লগতে উচ্চপদস্থ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

oooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত লোৱা পদক্ষেপ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। অহা ২১ জুনত সমগ্ৰ বিশ্বতে একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। আজি আমি প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ পৰা বিশ্বব্যাপী অভিযানলৈ যোগৰ বিৱৰ্তন সন্দৰ্ভত আলোকপাত কৰিবলৈ লৈছো।

**--ভইচ--**

যোগৰ ইতিহাস ভাৰতৰ প্ৰাচীন সভ্যতাৰ মাজত গভীৰভাৱে শিপাই আছে। সিন্ধু-সৰস্বতী উপত্যকা সভ্যতাত যোগ আধ্যাত্মিক অনুশীলন হিচাপে আৰম্ভ হৈছিল আৰু ক্ৰমান্বয়ে আত্ম উপলব্ধিৰ দিশত যোগ অনুশাসনমূলক পথলৈ বিকশিত হ'ল। বহু বছৰ ধৰি পণ্ডিতসকলে খ্ৰীষ্টপূৰ্ব ৫০০ৰ আশে-পাশে বৌদ্ধ ধৰ্মৰ উত্থানৰ সময়ত যোগৰ উৎপত্তি হৈছিল বুলি বিশ্বাস কৰিছিল। কিন্তু সিন্ধু-সৰস্বতী উপত্যকা সভ্যতাৰ পৰা পোৱা প্ৰত্নতাত্বিক তথ্যৰ পৰা যোগ বহু পুৰণি বুলি অনুমান কৰিব পাৰি। সময়ৰ লগে লগে যোগ বেদ, উপনিষদ আৰু পাছলৈ পতঞ্জলীৰ যোগসূত্ৰলৈ প্ৰৱাহিত হ'ল।

২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ২১ জুনক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই সপ্তাহত আমি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰিম। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- এখন পৃথিৱী, এটা স্বাস্থ্যৰ বাবে যোগ।

০০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি ধুবুৰী জিলাৰ কেইবাখনো থানা আৰু আৰক্ষী চকীৰ বিষয়াৰ সৈতে আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। জিলাখনৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনাৰ বাবে সোমবাৰে জিলাখনত উপস্থিত হোৱা শ্ৰী সিঙে ধুবুৰী, আগমনি, তামাৰহাট, গোলকগঞ্জ, গৌৰীপুৰ, বিলাসীপাৰা, চাপৰ আৰু সাপটগ্ৰাম থানাৰ বিষয়াসকলৰ সৈতে আইন-শৃংখলা পৰিস্থিতিক লৈ গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সঞ্চালকপ্ৰধান গৰাকীয়ে জিলাখনৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লৈ আৰক্ষীৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক উন্নত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ গো-মাংস উদ্ধাৰৰ ঘটনাক লৈ ধুবুৰীৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰিছিল যদিও বৰ্তমান স্বাভাৱিক হৈছে। আৰক্ষীৰ সঞ্চালকপ্ৰধানগৰাকীয়ে ধুবুৰীত উপস্থিত হোৱাৰ পূৰ্বে গুৱাহাটীৰ অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ পৰা ধুবুৰী জিলাৰ ৮ খন থানা এলেকাৰ কমেও ৫০ জন আৰক্ষী বিষয়া আৰু কনিষ্টবলক বদলিৰ নিৰ্দেশ দিয়ে। ইয়াৰ ভিতৰত ১০ গৰাকী সহকাৰী আৰক্ষী পৰিদৰ্শক, ১৯ গৰাকী উপ-পৰিদৰ্শক, ২৫ গৰাকী হাবিলদাৰ আৰু কনিষ্টবল আছে বুলি জানিব পৰা গৈছে।

০০০০০০

বৰাক উপত্যকাৰ শিলচৰৰ সমীপৰ শ্ৰীকোণাত নিৰ্মীয়মান বৰাক উপত্যকা সচিবালয়ৰ কাম চলিত বছৰৰ ডিচেম্বৰ নাইবা অহা বছৰৰ জানুৱাৰীত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। সচিবালয় নিৰ্মাণকাৰ্য প্ৰায় ৫৩ শতাংশ সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয় সূত্ৰই প্ৰকাশ কৰিছে। মূল সচিবালয়কে ধৰি মুঠ ৭ টা ভৱনৰ নিৰ্মাণকাৰ্য চলি আছে। বিষয়া আৰু কৰ্মচাৰীৰ আৱাসগৃহও নিৰ্মাণ কৰি থকা হৈছে। প্ৰশাসনিক কাম-কাজ সুচল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে বৰাক উপত্যকাত ক্ষুদ্ৰ সচিবালয় স্থাপনৰ সিদ্ধান্ত লৈছিল। এতিয়ালৈ এই প্ৰকল্পত ১৩৫ কোটি ৭ লাখ টকা আৱণ্টন দিয়া হৈছে আৰু প্ৰয়োজন হ’লে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত অতিৰিক্ত ধন আৱণ্টন দিব বুলি প্ৰকাশ কৰিছে। এই সচিবালয়ে বৰাক উপত্যকাত সু-শাসন নিশ্চিত কৰাৰ লগতে চৰকাৰী কাম-কাজ ক্ষিপ্ৰ হ’ব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০

এফ আই এইচ হকী প্ৰ’ লীগৰ এখন মেচত কালি নিশা লণ্ডনৰ লি ভেলী হকী এণ্ড টেনিছ চেণ্টাৰত ভাৰতীয় মহিলা দলটো আৰ্জেণ্টিনাৰ হাতত ১-4 গ’লৰ ব্যৱধানত পৰাস্ত হয় । প্ৰতিযোগীতাৰ ইউৰোপীয় লেগত ১৫ জুনত অষ্ট্ৰেলিয়াৰ হাতত ১-২ গ’লত পৰাস্ত হোৱাৰ পিছত এয়া একেৰাহে ভাৰতৰ দ্বিতীয়টো পৰাজয়। দীপিকাই ভাৰতৰ হৈ হাফ টাইমৰ ঠিক পিছতে পেনাল্টি কৰ্ণাৰৰ জৰিয়তে একমাত্ৰ গ’লটো দি ১-১ গ’লত সমতা স্থাপন কৰিছিল। কিন্তু আৰ্জেণ্টিনাই খেলখন নিজৰ নিয়ন্ত্ৰণলৈ আনি পৰৱৰ্তী সময়ত আৰু তিনিটা গ'ল দি মেচখনত জয়লাভ কৰে।

০০০০০০

মধ্য প্ৰাচ্যত অব্যাহত থকা যুদ্ধ উত্তেজনাৰ মাজতে কালি জি চেভেন বৈঠক আধাতে সামৰি মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্প স্বদেশলৈ ওভতি গৈছে আৰু ইৰাণৰ ৰাজধানী তেহৰাণ খালী কৰাৰ নিৰ্দশ দি আমেৰিকাই ইৰানক আক্ৰমণৰ ইংগিত দিছে। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতৰ লগতে অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, THE TIMES OF INDIA কাকতে এই বাতৰিটোক আজি প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। অসম চুক্তিৰ আধাৰত ডিব্ৰুগড়ত স্থাপিত গেছ

ক্ৰেকাৰ প্ৰকল্প লোকচানত চলাৰ পৰিপ্ৰেক্ষিতত যিকোনো মূহুৰ্ততে বন্ধ হব পাৰে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বিগতা প্ৰকাশ কৰা বাতৰিটো দৈনিক অগ্ৰদূত কাকতত প্ৰকাশ পাইছে। গোৱালপাৰাৰ হাচিলা বিলত চলি থকা উচ্ছেদ অভিযান পৰ্য্যবেক্ষণ কৰিবলৈ যোৱা কংগ্ৰেছৰ ৮জনীয়া বিধায়কৰ এটা দলক কালি উচ্ছেদস্থলীত প্ৰৱেশত প্ৰশাসনে বাধা আৰোপ কৰে। দলটোৰে আৰক্ষীৰ বাক বিতণ্ডা হোৱাৰ বাতৰিটোক অসমীয়া খবৰ কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। পৃথক শিৰোনামেৰে THE ASSAM TRIBUNE কাকতো একেতা বাতৰিয়ে স্থান লাভ কৰিছে। মেঘালয়ত সংঘটিত ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত আছে। কালি ৫অভিযুক্তক লগত লৈ আৰক্ষীয়ে চোহৰাত অপৰাধৰ নাটকীয় পুনৰ দৃশ্যায়ন কৰা বাতৰিটো আমাৰ অসম কাকতত ‘সোনমৰ সন্মুখতে দাৰে ঘপিয়াই হত্যা কৰা হৈছিল ৰাজা ৰঘুবংসীক’ শিৰোনামেৰে পৰিৱেশন কৰা হৈছে। দৈনিক অসম কাকতত প্ৰকাশিত একেটা বাতৰিৰ শিৰোনাম ‘চেৰাপুঞ্জীত অপৰাধৰ নাটকীয় পুনৰ দৃশ্যায়ন, চোকা অস্ত্ৰৰে তিনিটা ঘাপ মাৰিছিল ৰাজাক’। গো-মাংসক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তপ্ত পৰিস্তিতিৰ পাছত কালি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙে ধুবুৰী ভ্ৰমণ কৰে আৰু একেদিনাই ধুবুৰীৰ ১৫৬জন আৰক্ষী বিষয়াক বদলিৰ নিৰ্দেশ দিয়ে। দৈনিক জনমভূমি কাকতে এই  বাতৰিটো প্ৰকাশ কৰিছে ।

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নেতৃত্বত দেশত প্ৰথমবাৰৰ বাবে সম্ভাব্য দুৰ্যোগৰ প্ৰস্তুতি, সঁহাৰি, সাহায্য আৰু পুনৰুদ্ধাৰ প্ৰচেষ্টাত অংশীদাৰ হিচাপে জনসাধাৰণক প্ৰাধিকৰণৰ সৈতে সহযোগ কৰিবলৈ এটা অনলাইন সঁহাৰি প’ৰ্টেল মুকলি কৰা হৈছে। ৰাজ্যত ক্ৰমাৎ বৃদ্ধি পোৱা প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি এনে সময়ত জীৱনৰ সুৰক্ষা তথা ক্ষয়-ক্ষতি ৰোধৰ উপৰি ক্ষতিগ্ৰস্তসকলক সহায়ৰ ক্ষেত্ৰত সহযোগিতামূলক প্ৰচেষ্টা হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জৰুৰীকালীন কাৰ্যত অৰিহণা যোগাবলৈ আগ্ৰহীসকলক ONLINESDMA.ASSAM.GOV.IN/NGO/PUBLIC লিংকত গৈ পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ বাবে বেচৰকাৰী সংস্থা, স্বেচ্ছাসেৱক আৰু জনহিতৈষী সংস্থা বা লোকে পৃথকে পৃথকে পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০

সমাপ্ত